# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 01**-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

**::::::::::::::::::::::::::::::::::::::::::::**

১। নিৰ্বাচন আয়োগে ভোট গণনা কেন্দ্ৰসমূহত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশৰ সম্ভাৱনা নুই কৰাৰ উদ্দেশ্যে ই চি আই এন ই টি মঞ্চৰ জৰিয়তে কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয়পত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে।

২। দেশত অনলাইন গেমৰ বৰ্ধিত প্ৰসাৰ ৰোধৰ উদ্দেশ্যে আজিৰে পৰা অনলাইন গেমৰ প্ৰসাৰ আৰু নিয়ন্ত্ৰণ আইন ২০২৬ প্ৰযোজ্য হৈছে।

৩। মধ্য প্ৰদেশৰ জবলপুৰৰ বৰগি বান্ধত কালি সন্ধিয়া হোৱা এটা নাও দুৰ্ঘটনাত চাৰিজন পৰ্যটকে প্ৰাণ হেৰুৱায়।

৪। সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পবিত্ৰ বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গুজৰাট টাইটানছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৪ উইকেটত পৰাস্ত কৰে।

০০০০

নিৰ্বাচন আয়োগে ভোট গণনা কেন্দ্ৰসমূহত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশৰ সম্ভাৱনা নুই কৰাৰ উদ্দেশ্যে ই চি আই এন ই টি মঞ্চৰ জৰিয়তে কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয়পত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। আয়োগে প্ৰকাশ কৰা মতে ৪ মে'ত হ'বলগীয়া অসম, কেৰলম, তামিলনাডু, পশ্চিমবংগ আৰু পুডুচেৰীৰ ভোটগণনাৰ দিনৰ পৰা এই ব্যৱস্থা প্ৰযোজ্য হ'ব। কিউ আৰ আধাৰিত সত্যাসত্য নিৰূপণৰ এই ব্যৱস্থা নতুনকৈ প্ৰৱৰ্তন কৰা তিনি তৰপীয়া সুৰক্ষা ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ স্তৰ হ'ব বুলি আয়োগে জানিবলৈ দিছে। আয়োগে কৈছে যে, প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত ৰিটাৰ্নিং বিষয়াই জাৰি কৰা পৰিচয়পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। গণনা কক্ষৰ সমীপৰ অভ্যন্তৰীণ সুৰক্ষা স্তৰত কিউ আৰ কোড স্কেনিঙৰ পাছতহে প্ৰৱেশৰ অনুমতি প্ৰদান কৰা হ'ব। আয়োগে লগতে ভোট গণনা কেন্দ্ৰ আৰু কক্ষত প্ৰৱেশৰ অনুমতি প্ৰদান কৰা ব্যক্তিসকলৰ বাবেহে নতুন কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয় পত্ৰ প্ৰযোজ্য হ'ব বুলি স্পষ্ট কৰি দিছে। ইয়াৰ ভিতৰত ৰিটাৰ্নিং বিষয়া, সহকাৰী ৰিটাৰ্নিং বিষয়া, গণনাকৰ্মী, কাৰিকৰী কৰ্মী, প্ৰাৰ্থী, নিৰ্বাচনী এজেণ্ট আৰু ভোটগণনা এজেণ্ট অন্যতম।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত মিছন মুৰব্বী সকলৰ একাদশ সন্মিলনত ভাষণ দিয়ে। বিদেশ মন্ত্ৰালয়ে এখন বিজ্ঞপ্তি যোগে কৈছে যে, শ্ৰী মোদীয়ে তেওঁৰ ভাষণত দেশৰ ৰাষ্ট্ৰীয় স্বাৰ্থজড়িত বিভিন্ন দিশৰ প্ৰসাৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। বিদেশ মন্ত্ৰালয়ে যোৱা ২৮ এপ্ৰিলৰ পৰা ৩০ এপ্ৰিললৈকে এই সন্মিলনৰ আয়োজন কৰিছিল। বিদেশমন্ত্ৰী ডঃ

এছ জয়শংকৰে কালিৰ উদ্বোধনী ভাষণ প্ৰদান কৰে। সন্মিলনৰ এই তিনিওটা দিনত মিছন মুৰব্বীসকলে বিভিন্ন বিষয়ৰ আলোচনাত অংশগ্ৰহন কৰে। এইবাৰ এই সন্মিলনৰ বিষয়বস্তু আছিল - ২০৪৭ চনৰ বাবে "ভাৰতীয় কুটনীতিৰ সংস্কাৰ সাধন"।

০০০০

দেশত অনলাইন গেমৰ বৰ্ধিত প্ৰসাৰ নিয়ন্ত্ৰনৰ উদ্দেশ্যে আজিৰে পৰা অনলাইন গেমৰ প্ৰসাৰ আৰু নিয়ন্ত্ৰণ আইন কাৰ্যকৰী হ'ব। এই খণ্ডত ব্যৱহাৰকাৰীৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই আইনখন বলবৎ কৰা হৈছে।এই নতুন পৰিকাঠামো অনুসৰি ধনৰ লেনদেন থকা অনলাইন গেমসমূহ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। আইন অমান্য কাৰীসকলৰ বিৰুদ্ধে কাৰাদণ্ড আৰু জৰিমনা আদিকে ধৰি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হ'ব।

০০০০

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

কামৰ সময় দৈনিক ৮ ঘণ্টা আৰু মজুৰি নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। ১৮৮৯ চনত ইউৰোপৰ ভালেসংখ্যক চ'ছিয়েলিষ্ট পাৰ্টিয়ে একেলগ হৈ পহিলা মে'ৰ দিনটো আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়।

উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'কাম কৰাৰ বাবে সুস্থ মনোসামাজিক বাতাবৰণ'। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ মানসিক আৰু সামাজিক স্বাস্থ্যৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

০০০০

মধ্য প্ৰদেশৰ জবলপুৰৰ বৰগি বান্ধত কালি সন্ধিয়া হোৱা এটা ভয়াবহ দুৰ্ঘটনাত পৰ্যটক কঢ়িওৱা এখন প্ৰমোতৰী প্ৰবল ধুমুহা-বৰষুণ আৰু ঢৌৰ ফলত খমাৰিয়া দ্বীপৰ সমীপত বুৰ যায়। দুৰ্ঘটনাৰ সময়ত নাওখনত ৩০ গৰাকী পৰ্যটক আছিল। এতিয়ালৈকে চাৰিজন লোকৰ মৃত্যু নিশ্চিত কৰা হৈছে আৰু ১৫ জন লোকক উদ্ধাৰ কৰা হৈছে। ভালেসংখ্যক লোক সন্ধানহীন হৈ আছে। ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী, আৰক্ষী আৰু গৃহৰক্ষীৰ দলে উদ্ধাৰ অভিযান চলাই আছে।

০০০০

সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পৱিত্ৰ বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। এই দিনটোত গৌতম বুদ্ধই জন্মগ্ৰহণ কৰাৰ উপৰি জ্ঞান লাভ কৰিছিল আৰু তেওঁৰ মহা পৰিনিৰ্বাণ ঘটিছিল। ভাৰত, নেপাল, ভূটান,

বাৰ্মা, থাইলেণ্ড, তিববত, কোৰিয়া, লাও'ছ, ভিয়েটনাম, মংগোলীয়া, কম্বোদিয়া, ছিংগাপুৰ, ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ দৰে বিশ্বৰ বিভিন্ন দেশত এই উৎসৱ পালন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বুদ্ধ পূৰ্ণিমা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয়, যে এই পৱিত্ৰ দিনটো পৃথিৱীলৈ ভগৱান বুদ্ধৰ আগমন, জ্ঞান প্ৰাপ্তি আৰু মহা পৰিনিৰ্বাণৰ ঐতিহাসিক ঘটনাৰ প্ৰতীক। তেওঁ কয়, যে তেওঁৰ অহিংসা, কৰুণা, শান্তি আৰু জ্ঞানৰ শ্বাশ্বতঃ বাণীসমূহে মানৱ জাতিক সদায় পথ প্ৰদৰ্শন কৰি যাব। অলেখ প্ৰত্যাহ্বানেৰে ভৰা বৰ্তমানৰ সময়ত ভগৱান বুদ্ধৰ শিকনিসমূহে সকলোকে শান্তি, সহিষ্ণুতা আৰু সম্প্ৰীতিৰ পথত অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগাব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক ভগৱান বুদ্ধৰ আদৰ্শ আকোৱালি ল'বলৈ আৰু এখন শান্তিপূৰ্ণ, সৰ্বাত্মক তথা ন্যায্য সমাজ গঢ়াত অৱদান আগবঢ়োৱাৰ বাবে সংকল্প ল'বলৈ আহ্বান জনায়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই তেওঁৰ বাৰ্তাত কয়, যে বুদ্ধ পূৰ্ণিমা অকল এটা উৎসৱে নহয়, বৰং আত্মমন্থন, সজাগতা, আধ্যাত্মিকতা আৰু মানৱতাৰ পথত নিৰন্তৰ অগ্ৰসৰৰ সংকল্প। অধ্যক্ষগৰাকীয়ে কয়, যে গৌতম বুদ্ধৰ সমগ্ৰ জীৱন ত্যাগ, জ্ঞান আৰু দয়াৰ-কৰুণাৰ অসাধাৰণ যাত্ৰা আছিল। তেওঁৰ জীৱনে মানৱ জাতিৰ মননশীল প্ৰশ্নসমূহৰ সৰল আৰু ব্যৱহাৰিক সমাধান দি থৈ গৈছে বুলি শ্ৰী বিৰলাই মন্তব্য কৰে। তেওঁ কয়, যে মধ্যমপথ, চাৰি আৰ্য্য সত্য আৰু অষ্টমাৰ্গৰ দৰে শিকনিসমূহ হাজাৰ হাজাৰ বছৰ পূৰ্বৰ দৰে আজিও প্ৰাসংগিক হৈ আছে। তেওঁ কয়, যে ভগৱান বুদ্ধই অহিংসা, সহিষ্ণুতা আৰু সমানতাক জীৱনৰ আধাৰ বুলি অভিহিত কৰি থৈ গৈছে। অধ্যক্ষগৰাকীয়ে কয়, যে গৌতম বুদ্ধৰ দৰ্শনে জনসাধাৰণক অজ্ঞানতা, ক্ৰোধ আৰু অহংকাৰ ত্যাগ কৰি সত্য, দয়া, আৰু কৰণাৰ পথত আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাই আহিছে।

০০০০

উত্তৰা খণ্ডত আজি আদি কৈলাশ যাত্ৰা আৰম্ভ হ'ব। পীঠোৰাগ জিলা প্ৰশাসনে এই যাত্ৰা সূচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি ভক্তসকলক ইতিমধ্যে ইনাৰলাইন পাৰ্মিট প্ৰদান কৰা হৈছে।

জিলাধিপতি আশীষ ভটগেইনে কৈছে যে, সংশ্লিষ্ট বিভাগ আৰু সংস্থামসূহক তীৰ্থযাত্ৰীসকলৰ নিৰাপত্তা আৰু সুবিধা সুনিশ্চিত কৰাৰ বাবে সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে। তেওঁ কয়, যে যাত্ৰাপথত প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০

এইবছৰৰ কৈলাশ মানসৰোবৰ যাত্ৰা অহা জুনৰ পৰা আগষ্টলৈ চলিব। ৫০গৰাকী যাত্ৰীৰ ১০ টা দলে উত্তৰাখণ্ডৰ পৰা লিপুলেখ গিৰিপথেৰে যাত্ৰা কৰিব। আনহাতে আন ১০টা দলে নাথুলা গিৰিপথেৰে ছিক্কিমৰ পৰা যাত্ৰা কৰিব।এই যাত্ৰাৰ পঞ্জীয়নৰ বাবে বিদেশ মন্ত্ৰালয়ে ইতিমধ্যে এটা ৱেবচাইট মুকলি কৰিছে। চীন চৰকাৰৰ সহযোগত বিদেশ মন্ত্ৰালয়ে আয়োজন কৰা এই যাত্ৰাৰ বাবে কম্পিউটাৰ আধাৰিত বিশেষ ব্যৱস্থাৰ জৰিয়তে যাত্ৰী সকলক বাছনি কৰা

হ'ব। আগ্ৰহী সকলে kmy.গোৱ.in ৱেবচাইটৰ জৰিয়তে এই যাত্ৰাৰ বাবে আবেদন কৰিব পাৰিব বুলি বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান আজি ওড়িশালৈ যাব। এই ভ্ৰমণকালত শ্ৰী চৌহানে ৰায়গড়াত গ্ৰামোন্নয়ন মন্ত্ৰালয়ে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰা প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনাৰ চতুৰ্থ পৰ্যায় মুকলি কৰিব। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই উদ্যমৰ অধীনত এহেজাৰ ৬৯৮ কোটিৰো অধিক টকা ব্যয়ৰে প্ৰায় এহেজাৰ ৭০১ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৮২৭টা পথ প্ৰকল্প ৰূপায়ণ কৰা হ'ব। এই উদ্যমে ৮৯৮ টা আবাস স্থলক প্ৰথমবাৰৰ বাবে সকলো বতৰৰ বাবে উপযোগী পথেৰে সংযোগ কৰিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইয়াৰ ফলত অঞ্চল সমূহত বিদ্যালয়, চিকিৎসালয়, বজাৰ আৰু অন্য আৱশ্যকীয় সেৱা সুলভ হৈ পৰিব আৰু আৰ্থসামাজিক উন্নয়নো ত্বৰান্বিত হ'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৪ উইকেটত পৰাস্ত কৰে। গুজৰাট টাইটানছে ১৫৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ আৰু ৫ টা বলত ৬টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। গুজৰাটৰ হৈ অধিনায়ক শুভমন গীলে ১৮ টা বলত ৪৩ ৰান কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৫ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ